# আমাৰ পৰিৱেশ

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। পৰিৱেশ মানে কি বুজা ?**

**উত্তৰঃ** আমাৰ চাৰিওফালে থকা গছ – গছনি , জীৱ – জন্তু , চৰাই – চিৰিকটি অৰ্থাৎ জীৱজগত আৰু উদ্ভিদ জগতৰ কেউদিশে বিৰাজ কৰা পৰিস্থিতি বা অৱস্থাকে পৰিৱেশ বাোলে ।

**প্ৰশ্ন ২। পৰিৱেশ কেইপ্ৰকাৰৰ আৰু কি কি ?**

**উত্তৰঃ** পৰিৱেশ দুই প্ৰকাৰৰ –

১। প্ৰাকৃতিক পৰিৱেশ । আৰু

২। মানৱ সৃষ্ট পৰিৱেশ ।

**প্ৰশ্ন ৩। প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশৰ মাজত পাৰ্থক্য কি কি ?**

**উত্তৰঃ** প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশৰ মাজত পাৰ্থক্য—

১। প্ৰাকৃতিক পৰিৱেশ বায়ু , পানী , গছ – গছনি , জীৱ – জন্তু , কীট – পতংগ , ভৌগাোলিক অৱস্থান , নদ – নদী , পাহাৰ – পৰ্বত , মাটি ইত্যাদি প্ৰাকৃতিক কাৰকবাোৰে সৃষ্টি কৰে । আনহাতে মানৱ সৃষ্ট পৰিৱেশ মানুহে নিজাবুদ্ধি – কৌশল খটুৱাই প্ৰাকৃতিক পৰিৱেশ প্ৰদত্ত , সুবিধাসমূহৰ পৰা নিজৰ প্ৰয়াোজন অনুসৰি সৃষ্টি কৰে ।

২। প্ৰাকৃতিক পৰিৱেশ এক স্বাভাৱিক প্ৰক্ৰিয়া ; ই কাৰাো ওপৰত নিৰ্ভৰশীল নহয় । মানৱ সৃষ্ট পৰিৱেশ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল । প্ৰাকৃতিক পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিহে মানুহে নিজৰ বাবে এক পৰিৱেশ ৰচনা কৰি লয় ।

**প্ৰশ্ন ৪। ‘পৰিস্থিতিতন্ত্ৰ ’ মানে কি বুজা ? দুটা পৰিস্থিতিতন্ত্ৰৰ উদাহৰণ দিয়া ।**

**উত্তৰঃ** পৰিৱেশত থকা সকলাে প্ৰাণী, উদ্ভিদ , ভেঁকুৰ , বেক্টেৰিয়া ইত্যাদিক জৈৱিক উপাংশ বােলা হয় । ইয়াৰ প্ৰতিটো কাৰক পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল । যেনে সৌৰশক্তি , অৰ্থাৎ সূৰ্যৰপৰা তাপ আৰু পােহৰ পাই উদ্ভিদ গজি উঠে ; উদ্ভিদ অৰ্থাৎ তৃণ , গছৰ পাত আদি খাই গৰু – ছাগলী , হৰিণ , শহা আদি তৃণভােজী প্ৰাণীবােৰ জীয়াই থাকে । আকৌ এই তৃণভােজী জন্তুবােৰ খাই বাঘ , সিংহ , শিয়াল , হায়না আদি মাংসাহাৰী জন্তুবােৰ জীয়াই থাকে । উদ্ভিদ , তৃণভােজী আৰু মাংসভােজীৰ এই জীৱন চক্ৰকেই পৰিস্থিতিতন্ত্ৰ বােলা হয় । পৰিস্থিতিতন্ত্ৰৰ দুটা উদাহৰণ –

১। গছৰ পাত — ফৰিং — চৰাই ।

২। তৃণ — হৰিণ বাঘ ।

**প্ৰশ্ন ৫। উৎপাদক , প্ৰথম উপভােক্তা আৰু দ্বিতীয় উপভােক্তা মানে কি বুজা ? উদাহৰণসহ লিখা ।**

**উত্তৰঃ** পৰিস্থিতিতন্ত্ৰত গছৰ পাত বা তৃণক উৎপাদ- (Producer), ফৰিং , হৰিণ আদি তৃণভােজী প্ৰাণীবােৰক প্ৰথম উপভােক্তা ( First Consumer ) আৰু চৰাই , বাঘ আদি মাংসভােজী প্ৰাণীবােৰক দ্বিতীয় উপভােক্তা ( Second Consumer ) বুলি কোৱা হয় । উদাহৰণ –

উৎপাদক     প্ৰথম উপভােক্তা    দ্বিতীয় উপভােক্তা গছৰ পাত বা তৃণ – ফৰিং , হৰিণ , শহা – চৰাই , বাঘ , সিংহ ।

গছৰ পাত বা তৃণ হৈছে উৎপাদক । এই গছৰ পাত বা তৃণ খাই জীয়াই থকা ফৰিং , হৰিণ , গৰু – ছাগলী শহা আদি তৃণভােজী প্ৰাণীবােৰ হৈছে প্ৰথম উপভােক্তা আৰু এই তৃণভােজী প্ৰাণীবােৰ খাই জীয়াই থকা বাঘ , সিংহ , চৰাই , শিয়াল আদি মাংসভােজী প্ৰাণীবােৰ হৈছে দ্বিতীয় উপভােক্তা ।

**প্ৰশ্ন ৬। অজৈৱিক উপাংশ মানে কি বুজা ?**

**উত্তৰঃ** প্ৰাকৃতিক পৰিৱেশৰ তিনিটা অজৈৱ উপাদান বায়ু , মাটি আৰু পানীক অজৈৱিক উপাংশ বােলা হয় ।

**প্ৰশ্ন ৭। পৃথিৱীৰ মুখ্য পৰিবেশ অঞ্চলসমূহ কি কি ?**

**উত্তৰঃ** পৃথিৱীৰ মুখ্য পৰিবেশ অঞ্চলসমূহ হৈছে—

১। নিৰক্ষীয় অঞ্চল ।

২। ক্ৰান্তীয় উষ্ণ মৰুভূমি বা চাহাৰীয়া অঞ্চল ।

৩। ক্ৰান্তীয় মৌচুমী অঞ্চল ।

৪। ক্ৰান্তীয় তৃণভূমি অঞ্চল । আৰু

৫। তুন্দ্ৰা অঞ্চল ।

## প্ৰশ্ন ৮। নিৰক্ষীয় অঞ্চলৰ পৰিৱেশ সম্পৰ্কে এটি টোকা লিখা ।

**উত্তৰঃ** নিৰক্ষ ৰেখা বা বিষুৱ ৰেখাৰ ৫° উত্তৰ আৰু দক্ষিণ , কিছুমান ঠাইত ১০ উত্তৰ আৰু দক্ষিণ অক্ষাংশলৈকে বিস্তৃত অঞ্চলটো হৈছে নিৰক্ষীয় অঞ্চল । এই অঞ্চলত সূৰ্যৰ তাপ আৰু পাোহৰ লম্বভাৱে পৰে বাবে গাোটেই বছৰ উত্তাপ সমান— প্ৰায় ২৬-২৭° চেলচিয়াছ । এই অঞ্চলত সমগ্ৰ বছৰ গড়ে ১৭৫-২০০ চেণ্টিমিটাৰ বৰষুণ হৈ থাকে । ইয়াত ৰবৰ , চন্দন , চেগুন আদি ডাঙৰ ডাঙৰ গছেৰে ভৰা চেলভা নামে চিৰসেউজীয়া অৰণ্য আছে । ইয়াৰ মাটিভাগ সেমেকা আৰু চেচুক বাবে বিভিন্ন সৰীসৃপ দেখা যায় । জলহস্তী , হাতী , বান্দৰ , চিম্পাঞ্জী আদি জন্তুও ইয়াত বাস কৰে। নিৰক্ষীয় উচ্চভূমি অঞ্চলত দৈনিক উত্তাপৰ তাৰতম্য বেছি । উচ্চতাৰ বাবে উষ্ণতা কম আৰু বৰষুণো কম।ইয়াৰ ই কুয়েডৰ অঞ্চলত চিৰবসন্ত বিৰাজ কৰে । ইয়াত ' ছাভানা' নামৰ তৃণভূমি দেখা যায় । নিৰক্ষীয় নিম্ন অঞ্চলত মানুহৰ জনবসতি সেৰেঙা । উগ্ৰ জলবায়ুৰ বাবে ইয়াত ' পিগমি নামৰ চুটি – চাপৰ মানুহৰ লগতে ভেড়া , কুবু ডায়ান , বাকুৰা গাবুন , পাপুৱা আদি অঘৰী  আদিবাসীসকলেহে বাস কৰে ।

## প্ৰশ্ন ৯। ক্ৰান্তীয় উচ্চ মৰুভূমি বা চাহাৰীয় অঞ্চলৰ এটি বৰ্ণনা দিয়া ।

**উত্তৰঃ** দুয়াো গাোলাৰ্দ্ধৰ ২০° উত্তৰ আৰু দক্ষিণ অক্ষাংশৰ মাজৰ অঞ্চলটো হৈছে ক্ৰান্তীয় উচ্চ মৰুভূমি বা চাহাৰীয় অঞ্চল । আফ্ৰিকাৰ চাহাৰা মৰুভূমি , এছিয়াৰ চৌডি আৰব , য়েমেন , কুৱেইট , ইৰান , আফগানিস্তান , পাকিস্তান , ভাৰতৰ থৰ মৰুভূমি , উত্তৰ আমেৰিকাৰ ক'ল'ৰাডাো , এৰিজনা , কেলিফৰ্ণিয়াৰ মৰুভূমি অঞ্চল , দক্ষিণ আমেৰিকাৰ আটাকামা , পেৰু আৰু চিলিৰ মৰুভূমি , আফ্ৰিকাৰ কালাহাৰি আৰু অষ্ট্ৰেলিয়াৰ বৃহৎ মৰুভূমি অঞ্চল এই অঞ্চলৰ অন্তৰ্গত ।

ইয়াৰ জলবায়ু শুকান আৰু গৰম । গ্ৰীষ্মকালত উত্তাপ গড়ে ৩৮° চেলচিয়াছ আৰু শীতকালি গড়ে ১০° চেলচিয়াছ । বাৰ্ষিক বৃষ্টিপাত ২৫° চেঃমিঃতকৈ কম । কৃষিকাৰ্যত

অসুবিধা মৰুদ্যানসমূহত নাৰিকল , খেজুৰ , কপাহ , মাকৈ , জোৱাৰ আদি খেতি হয় । পশুপালন এক মুখ্য জীৱিকা ।

আৰৱত বেদুইন , চাহাৰাত তুৱাৰেগ আৰু কালাহাৰি মৰুভূমিত বুমেন্ নামৰ অধিবাসীসকলৰ জীৱিকা হৈছে পশুপালন আৰু চিকাৰ । জীৱৰ ভিতৰত উট , ঘোঁৰা , ছাগলী , ভেড়া , জেঠী , বিভিন্ন কীট – পতংগ , সাপ , ময়ূৰ আদি প্ৰধান ।

## প্ৰশ্ন ১০। ক্ৰান্তীয় মৌচুমী অঞ্চলৰ পৰিৱেশৰ চমুটোকা এটি লিখা ।

**উত্তৰঃ** মৌচুমী জলবায়ুৰ দ্বাৰা প্ৰভাৱান্বিত ঠাইবাোৰ ক্ৰান্তীয় মৌচুমী অঞ্চলৰ অন্তৰ্গত । ভাৰতবৰ্ষ , বাংলাদেশ , ম্যানমাৰ , থাইলেণ্ড , কম্বাোডিয়া , ভিয়েটনাম , দক্ষিণ চীন , অষ্ট্ৰেলিয়াৰ উত্তৰ উপকূল আদি এই অঞ্চলৰ অন্তৰ্গত । জহকালি অধিক বৰষুণ ( গড়ে ২০০-২৫০ চেঃমি), যথেষ্ট গৰম ( গড়ে ২৫° -৩৫° চেলচিয়াছ ) আৰু শীতকালি ১৫° -২০° চেলচিয়াছ হাোৱা এই অঞ্চলত মৌচুমী বতাহৰ দ্বাৰা জলবায়ুৰ অৱস্থা নিয়ন্ত্ৰিত হয় । পৰ্ণপাতী উদ্ভিদ , চিৰসেউজীয়া উদ্ভিদ, গুল্মজাতীয় আৰু তৃণজাতীয় উদ্ভিদৰ উপৰি হাতী , গড় , বনৰীয়া ম’হ , মেথাোন , বিভিন্ন প্ৰজাতিৰ পহু , বান্দৰ , সিংহ , বাঘ , ভালুক , শিয়াল, সাপ , ঘঁৰিয়াল , জেঠী , কাছ আৰু বিভিন্ন প্ৰজাতিৰ চৰাই , যেনে — ম’ৰা , ধনেশ , ঈগল , ৰাজহাঁহ , শেন , কাউৰী ইত্যাদি মৌচুমী জলবায়ুৰ অৰণ্যৰ সম্পদ ।

পৃথিৱীৰ ভিতৰত অত্যধিক জলবহুল অঞ্চল হিচাপে পৰিগণিত ক্ৰান্তীয় মৌচুমী কৃষিৰ বাবে অত্যন্ত উপযাোগী । তদুপৰি পশুপালন , কুটীৰ আৰু অত্যাধুনিক শিল্প – উদ্যোগ আদিৰ জৰিয়তে এই অঞ্চল প্ৰাচীন সভ্যতাৰ কেন্দ্ৰস্থল ।

## প্ৰশ্ন ১১। ক্ৰান্তীয় তৃণভূমি পৰিৱেশ অঞ্চলৰ বিষয়ে এটি টোকা লিখা ।

**উত্তৰঃ** নিৰক্ষীয় অঞ্চলৰ দুয়াোকাষে ক্ৰান্তীয় তৃণভূমি অঞ্চল অৱস্থিত । আফ্ৰিকাৰ ছুডন , গিনি উপকূল , দক্ষিণ আমেৰিকাৰ অৰিনকো অববাহিকা , গিয়েনা , ব্ৰাজিল উচ্চভূমি , অষ্ট্ৰেলিয়াৰ উত্তৰ আৰু উত্তৰ- পূৰ্ব অংশ এই অঞ্চলৰ অন্তৰ্গত । জলবায়ু গৰম আৰু শুকান । আফ্ৰিকাত এই তৃণভূমিক ‘ ছাভানা ’ , দক্ষিণ আমেৰিকাত ‘লেন ’ , বলিভিয়াত ‘ মত ’ না ’ , আৰ্জেন্টিনাত ‘ এলগ্ৰেছাব ’ আৰু ব্ৰাজিলত ‘ কেম্পাছ ’ নামে জনা যায়। ইয়াত জেব্ৰা , জিৰাফ , গাঁৰা , হৰিণ , নীলগাই , মহ , হাতী, গড় , বাঘ , সিংহ আদি পাোৱা যায় ।

অধিবাসীসকলৰ প্ৰধান জিৰিকা পশুপালন আৰু চিকাৰ । পূৱ আফ্ৰিকাৰ' মাছাই ' , ' কিমিজ ' কেনিয়াৰ ' কিকয়ু ' , চাহাৰাৰ ' হাউছা' নামৰ অধিবাসীবিলাকে পশুপালন আৰু চিকাৰৰ লগতে কৃষিকাৰ্যত লিপ্ত থাকে ।

**প্ৰশ্ন ১২। ' তুন্দ্ৰা অঞ্চল ' ৰ বিষয়ে বৰ্ণনা কৰা।**

**উত্তৰঃ** উত্তৰ গা ােলাৰ্দ্ধৰ ৬৬° ৩০ উত্তৰ অক্ষাংশ আৰু ৭৫° উত্তৰ অক্ষাংশৰ মাজত অৱস্থিত অঞ্চলটোক তুন্দ্ৰা অঞ্চল বা ােলা হয় । ইউৰেছিয়া আৰু উত্তৰ আমেৰিকা , ছাইবেৰিয়া আদি এই অঞ্চলৰ অন্তৰ্গত । শীতকালৰ দৈৰ্ঘ্য সাতৰপৰা আঠ মাহ । গ্ৰীষ্মকাল চুটি । এই সময়তে গছ , ছেজ ঘাঁহ গজে । বগা ভালুক , বগা শিয়াল , না ােমাল কুকুৰ , ভল্লা হৰিণ , তিমি মাছ , ছীল , সিন্ধুঘা ােটক আদি প্ৰাণী দেখা যায় । 'এস্কিম ' , ' লেপছ ' , ' ফিনছ ' , ' চেমা ােয়াড ' নামৰ অঘৰী অধিবাসীসকলে ' ঈগলু ' নামৰ বৰফৰ ঘৰ সাজি থাকে । কুকুৰে টনা ' গাড়ী পৰিবহনৰ প্ৰধান মাধ্যম । তেওঁলা ােকৰ প্ৰধান জীৱিকা চিকাৰ ।

**প্ৰশ্ন ১৩। ' বিয়া ােজন ' বুলিলে কি বুজা ?**

**উত্তৰঃ** উদ্ভিদ , প্ৰাণীবা ােৰ মৰি – গেলি – পচি মাটিৰ লগত মিলি যা ােৱা অৱস্থাকে বিয়া ােজন বা ােলে ।

**প্ৰশ্ন ১৪। মানুহক কিয় সৰ্বভা ােজী বুলি কোৱা হয় ?**

**উত্তৰঃ** মানুহে উদ্ভিদ আৰু জীৱ দুয়া ােটাই ভক্ষণ কৰে বাবে মানুহক সৰ্বভা ােজী বুলি কোৱা হয় ।

**প্ৰশ্ন ১৫। খালী ঠাই পূৰ কৰা –**

( ক ) পৰিবেশৰ প্ৰতিটো _____ ইটোৱে সিটোৰ ওপৰত নিৰ্ভৰশীল ।

**উত্তৰঃ** পৰিৱেশৰ প্ৰতিটো কাৰকে ইটোৱে সিটোৰ ওপৰত নিৰ্ভৰশীল ।

( খ ) প্ৰাকৃতিক পৰিৱেশৰ ____ কাৰক ৰ সকলা ে ঠাইতে সমভাৱে হৈ নাথাকে ।

**উত্তৰঃ** প্ৰাকৃতিক পৰিৱেশৰ বিভিন্ন কাৰক পৃথিৱীৰ সকলা ে ঠাইতে সমভাৱে বিতৰণ হৈ নাথাকে ।

( গ ) মানবসৃষ্ট পৰিৱেশৰ ___ ৰ উৎস হ’ল ___ পৰিৱেশৰ উপাদানবা◌েৰ ।

**উত্তৰঃ** মানৱসৃষ্ট পৰিৱেশৰ উপাদানসমূহৰ উৎস হ’ল প্ৰাকৃতিক পৰিৱেশৰ উপাদানবা◌েৰ ।

( ঘ ) নিৰক্ষীয় অঞ্চলৰ ____ ক্ৰান্তীয় তৃণভূমি অঞ্চল অৱস্থিত ।

**উত্তৰঃ** নিৰক্ষীয় অঞ্চলৰ দুয়া◌েকাষে ক্ৰান্তীয় তৃণভূমি অঞ্চল অৱস্থিত ।